***ঝুনা***—একো শাৰীত এঘাৰটাকৈ অক্ষৰ থকা দুটা শাৰীত এইবিধ ছন্দ হয়। প্ৰতি শাৰীত দুটাকৈ পৰ্ব্ব থাকে—প্ৰথম পৰ্ব্ব ছয়টা অক্ষৰৰ আৰু দ্বিতীয় পৰ্ব্ব পাঁচ অক্ষৰৰ। দুয়ো শাৰীৰ শেষাক্ষৰৰ মিল ( rhyme ) হয়। শঙ্কৰদেৱে কীৰ্ত্তন-ঘোষাৰ ভালেমান ঠাইত এই ছন্দৰ প্ৰয়োগ কৰিছে। যেনে—

চৌপাশে প্ৰকাশে বস্তু প্ৰদীপ।
চাপিলা হৰিয়ে ঋষি সমীপ ॥
নাৰদক দেখি উঠিলা হৰি।
প্ৰণামিলা পাৱে শিৰে সাদৰি ॥

এই ছন্দৰ অন্য নাম একাৱলী। এই ছন্দৰ অন্তৰ্গত ৰচনাৰ প্ৰতি শাৰীত যেতিয়া বাৰটাকৈ অক্ষৰ থাকে তেতিয়া ইয়াক বোলা হয় দীৰ্ঘ-ঝুনা, আৰু যেতিয়া তাত দহটাকৈ অক্ষৰ থাকে, তেতিয়া এই ছন্দক বোলা হয় হ্ৰস্ব ঝুনা।

***ঝুমুৰি***—এই বিধ ছন্দত আঠ অক্ষৰযুক্ত দুটা শাৰী বা চৰণ থাকে। প্ৰতি চৰণতে চাৰি অক্ষৰযুক্ত দুটাকৈ পৰ্ব্ব থাকে আৰু দুয়োটা চৰণৰে শেষাক্ষৰৰ মিল ( rhyme ) হয়। পুৰণি কবিসকলে, বিশেষকৈ যুদ্ধৰ বৰ্ণনাত এই ছন্দৰ প্ৰয়োগ কৰিছে। যেনে—

সীতাক ৰাখিবি তই।
ৰাক্ষসক যুজো মই ॥
এতিক্ষণে মোৰ শৰে।
মাৰি পেখো যমঘৰে ॥ (ৰামা, মাধৱ কন্দলী)

***কুসুমমালা***—এই ছন্দত ছয় অক্ষৰযুক্ত চাৰিটা পৰ্ব্ব থাকে, প্ৰতি পৰ্ব্বৰেই শেষাক্ষৰৰ মিল ( rhyme ) থাকে। শঙ্কৰদেৱৰ "গুণ-মালা" নামৰ গোটেই খণ্ড ৰচনাই এই বিধ ছন্দত ৰচিত। যেনে—

(i) নমো নাৰায়ণ, সংসাৰ কাৰণ।
ভকত তাৰণ, তোহ্মাৰ চৰণ ॥
(ii) তুমি নিৰঞ্জন, পাতক ভঞ্জন।
দানৱ গঞ্জন, গোপিকা ৰঞ্জন ॥

এইবিলাকেই পুৰণি অসমীয়া-সাহিত্যৰ প্ৰধান ছন্দ। ইয়াৰ উপৰিও চবিহা, মুক্তাৱলী, ৰূপছন্দ, পাঞ্চালী, ইন্দ্ৰবজ্ৰা, মৃদুছন্দ আদি কেতবোৰ ছন্দৰ ব্যৱহাৰ ঠাইবিশেষে পোৱা যায়।[1] প্ৰচলন কম কাৰণে সেইবোৰৰ আলোচনা দিয়া নহ'ল।

পুৰণি সাহিত্যক গঢ় দিয়া উক্ত ছন্দবোৰে আধুনিক কাব্য-সাহিত্যক যে গঢ় দিয়া নাই, এই কথা নহয়। কেইবাটাও পুৰণি

**আধুনিক কাব্যত পুৰণি ছন্দৰ প্ৰয়োগ**

ছন্দই আধুনিক কাব্য-সাহিত্যক বিভিন্ন সাঁচৰ মাজেদি ৰূপায়িত কৰিছে। অৱশ্যে আধুনিক কাব্যত দুই এটা এই ধৰণৰ ছন্দ সামান্য-ভাৱে পৰিৱৰ্ত্তিত হৈছে।

অবিকৃত পদ-ছন্দই দুই এটা আধুনিক কবিতাক গঢ় দিছে। যেনে—

নৱৰ আদৰ্শ কবি কন্দলাই ধৰা।
স্বৰ্গীয় আসন শোভি আছা গুৰু তৰা॥
পুণ্যভূমি অসমত পূৰ্ণ অৱতাৰ।
ধৰিছিলা সৌম্য-মূৰ্ত্তি আৰ্য্য-বংশধৰ॥ (ৰঘু চৌধাৰী)

পদ-ছন্দ অলপ পৰিৱৰ্ত্তিত হৈয়ো আধুনিক কবিতাৰ মাজত সোমাইছে। এই ৰূপত প্ৰথম শাৰীৰ শেষ অক্ষৰ দ্বিতীয় শাৰীৰ শেষাক্ষৰৰ লগত মিল নহৈ মিল হয় তৃতীয় শাৰীৰ শেষাক্ষৰৰ লগত, আৰু দ্বিতীয় শাৰীৰ শেষাক্ষৰৰ মিল হয় চতুৰ্থ শাৰীৰ শেষাক্ষৰৰ লগত। যেনে—

হে পথিক জুৰোৱাহি তাপিত জীৱন
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল,
ভাগৰুৱা পথিকৰ শান্তিনিকেতন
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল। (ৰঘু চৌধাৰী)

দুলড়ি-ছন্দত ৰচিত আধুনিক কবিতাৰ সংখ্যাও কম নহয়। প্ৰথম পৰ্ব্ব আৰু দ্বিতীয় পৰ্ব্বৰ শেষাক্ষৰৰ, আৰু চতুৰ্থ-পঞ্চম পৰ্ব্বৰ শেষাক্ষৰৰ মিল আৰু অমিল থকা দুয়ো ধৰণৰ দুলড়ি ছন্দৰ

---

১ সোণাপতি দেৱ শৰ্মাৰ "সাহিত্যৰ সাজ" দ্ৰষ্টব্য।